(২) কান্দি কান্দি কোৱা কথা মই নুশুনো।

৯.০৪ বাক্য গঠনত ৰূপান্তৰ প্ৰক্ৰিয়া ঃ

পৃথিৱীৰ প্ৰায়বোৰ ভাষা অধ্যয়ন কৰিলে ভাষাত খুব কম প্ৰকাৰৰ মৌলিক বাক্য (Basic sentence pattern) হে পোৱা যায়, কিন্তু এই প্ৰকাৰবোৰৰ পৰা ৰূপান্তৰ প্ৰক্ৰিয়াৰ (Transformational Rule) জৰিয়তে বহুধৰণৰ বাক্য সজাব পাৰি। নোৱম চমস্কিয়ে বাক্যৰ প্ৰধান ৰূপসমূহক কাৰ্ণেল (Kernal Sentence) অৰ্থাৎ সাৰ বাক্য বুলি কৈছে। এই কাৰ্ণেল বাক্যৰ পৰাই ৰূপান্তৰ প্ৰক্ৰিয়াৰে বহু বাক্য সজাব পাৰি। কৰ্তৃবাচ্য, কৰ্মবাচ্য আৰু ভাববাচ্যৰ বাক্য, এইবোৰ সাধাৰণতে বাক্যৰ প্ৰকাৰ। এই প্ৰকাৰসমূহৰপৰা নানাধৰণৰ বাক্যৰ উপপ্ৰকাৰ ৰচনা কৰিব পাৰি। এটা কৰ্তৃবাচ্যসূচক সৰল কাৰ্ণেল বাক্যৰ পৰাই ৰূপান্তৰ প্ৰক্ৰিয়াৰ সহায়ত নিষেধাৰ্থক, প্ৰশ্নসূচক বাক্য সজাব পাৰি, আনকি কৰ্তৃবাচ্যৰ বাক্য কৰ্মবাচ্য বা ভাববাচ্যৰ বাক্যলৈও ৰূপান্তৰ কৰিব পাৰি। তলত বাক্যৰ ৰূপান্তৰ প্ৰক্ৰিয়াৰ উদাহৰণ দাঙি ধৰা হ'ল —

(১) মেকুৰীয়ে মাছ খায় —

(ক) মেকুৰীয়ে মাছ খায়নে?

(খ) মেকুৰীয়ে মাছ নাখায়।

(গ) মেকুৰীৰ দ্বাৰা মাছ খোৱা হ'ল।

(ঘ) মেকুৰীয়ে মাছ নাখাবও পাৰে।

(২) মানুহজনে কাম কৰে —

(ক) মানুহজনে কাম কৰেনে?

(খ) মানুহজনে কাম নকৰে।

(গ) মানুহজনৰ দ্বাৰা কাম কৰা হ'ল।

(ঘ) মানুহজনে কাম নকৰিবও পাৰে।

ৰূপান্তৰ প্ৰক্ৰিয়াৰে সৰল বাক্যক জটিল বা মিশ্ৰ বাক্যলৈ ৰূপান্তৰ কৰিব পাৰি। উদাহৰণস্বৰূপে, তলৰ বাক্যটো লোৱা হ'ল —

(৩) সৰলবাক্য — পৰীক্ষাৰ খবৰ ওলাইছে।

জটিল বাক্য — (ক) পৰীক্ষাৰ খবৰ জানো ওলাইছে।

(খ) পৰীক্ষাৰ খবৰ ওলাইছে নেকি?

(৪) সৰলবাক্য — তুমি কোৱা কামটো মই কৰিব পাৰোঁ।

জটিলবাক্য — তুমি যি কামটো কৰিবলৈ কৈছিলা সেই কামটো মই কৰিব পাৰোঁ।

(৫) সৰলবাক্য — ভাল ল'ৰাক সকলোৱে মৰম কৰে।

জটিলবাক্য — যিজন ল'ৰা ভাল; তেওঁক সকলোৱে মৰম কৰে।

(৬) সৰলবাক্য — ল'ৰাজনে শিক্ষকৰ ওচৰলৈ গৈ নমস্কাৰ কৰিলে।

জটিলবাক্য — ল'ৰাজন শিক্ষকৰ ওচৰলৈ গ'ল আৰু শিক্ষকক নমস্কাৰ কৰিলে।

নোৱম চমস্কি আৰু তেওঁৰ অনুগামীসকলে বাক্যৰ দুই প্ৰকাৰৰ গঠন, যেনে — বাহ্যিক গঠন আৰু আভ্যন্তৰীণ গঠনৰ মাজত ভেদ ঠাৱৰ কৰিছে। কিছুমান বাক্য বাহিৰৰপৰা দেখাত একে লাগিলেও আভ্যন্তৰীণ গঠনত দুয়োটা বাক্যৰে গঠন বেলেগ বেলেগ। সাধাৰণতে বাহ্যিক গঠনৰ লগত বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমষ্টিৰ সহযোগত সৃষ্টি কৰা শব্দ আৰু এইবোৰৰ পাৰস্পৰিক বৈয়াকৰণিক অন্বয়ৰ দ্বাৰা সৃষ্টি হোৱা বাক্য যুক্ত হৈ থাকে। এনে বাক্য প্ৰত্যেকজন শ্ৰোতাৰ কাণত বাজি উঠে। আনহাতে আভ্যন্তৰীণ গঠনত বাক্যৰ মাজত অন্তৰ্নিহিত হৈ থকা ভাব বা চিন্তা যুক্ত হৈ থাকে। প্ৰতিটো বাক্যৰ বাহ্যিক গঠনৰ অন্তৰালত একোটা ভিন্ন অৰ্থ লুকাই থাকিব পাৰে। অন্তৰ্দৃষ্টি সম্পন্ন আৰু কুশল মাতৃভাষীয়ে বক্তাৰ মানসিক স্তৰত বিচৰণ কৰি বাক্যৰ গভীৰ অৰ্থ উদঘাটন কৰিব পাৰে। বাক্যৰ গভীৰ স্বৰূপ নিঃসন্দেহে অৰ্থভিত্তিক। বক্তাই ভাষাৰ সহায়ত ব্যক্ত কৰিব খোজা ভাবক বোধগম্য কৰি তোলাৰ প্ৰচেষ্টাই হৈছে ভাষাৰ আভ্যন্তৰীণ গঠন। অসমীয়া ভাষাৰ বাক্যত এই দুই ধৰণৰ ভেদ লক্ষ্য কৰা যায়। অসমীয়া ভাষাত ব্যৱহৃত কিছুমান বাক্য দেখাত প্ৰশ্নসূচক যেন লাগিলেও প্ৰকৃততে তেনে বাক্যই অনুজ্ঞাভাবহে প্ৰকাশ কৰিব খোজে। যেনে—

| বাহ্যিক গঠন | আভ্যন্তৰীণ গঠন |
| --- | --- |
| (১) আলহী, যাব নহয়? | (ক) মানে, আলহী যোৱাটো বিচাৰিছে। |
| আলহী, থাকিব নহয়? | (খ) মানে, আলহী থকাটো বিচাৰিছে। |
| (২) আপোনাৰ গৰম লগা নাইনে? | (ক) মানে, বক্তাৰ গৰম লাগিছে। |
| (৩) কেঁচুৱাটোৱে কান্দিছে, নাহা কিয়? | (ক) মানে, কেঁচুৱাটোৱে কান্দিছে, আহাঁ। |

কেতিয়াবা আকৌ বাক্যৰ বাহ্যিক গঠন প্ৰশ্নসূচক, কিন্তু তেনে বাক্যই ইতিবাচক বা নেতিবাচক ভাবো প্ৰকাশ কৰিব পাৰে। দৈনন্দিন জীৱনত অসমীয়া ভাষাত এনেধৰণৰ কেতবোৰ উক্তিৰ প্ৰায়ে প্ৰকাশ ঘটে। যেনে —

(১) বিয়ালৈ নগ'লে হ'বনেকি?

(২) মোলৈ বিহুৰ কাপোৰ নিকিনে নেকি?

প্ৰথম বাক্যটোৱে বিয়ালৈ যোৱাটো বাধ্যতাসূচক এই অৰ্থহে প্ৰকাশ কৰিছে। দ্বিতীয় বাক্যটো দেখাত প্ৰশ্নসূচক হ'লেও ই নিশ্চয়বোধক ভাবহে প্ৰকাশ কৰিছে।

কেতিয়াবা কোনো বাতৰি প্ৰকাশত একোটা সৰল বাক্যৰ অন্তৰালত কেইবাটাও ভাব অন্তৰ্নিহিত হৈ থাকিব পাৰে। যেনে —

(১) কেঁচুৱাটোৱে কান্দিছে (ক) কেঁচুৱাটোৱে ভোকত কান্দিছে।
(খ) কেঁচুৱাটোৱে দুখ পাইছে।
(গ) কেঁচুৱাটোৱে মাকক বিচাৰিছে।

(২) The baby is crying (ক) The baby is crying.
(খ) He feels hungry.
(গ) He can be injured.

অসমীয়া ভাষাত ব্যৱহৃত কেতবোৰ বাক্য ওপৰা-উপৰিকৈ চালে বাহ্যিক আৰু অন্তৰঙ্গ গঠনৰ মাজত ভেদ ঠাবৰ কৰা টান হৈ পৰে। বাক্যত ব্যৱহৃত শব্দসমূহৰ অভিধা আৰু ব্যঞ্জনা, এই দুই অৰ্থৰ জৰিয়তেহে ইয়াৰ প্ৰকৃত অৰ্থ নিৰ্ণয় কৰা হয়। যেনে —

ল'ৰাটোৱে খাব পৰা হৈছে।

বক্তাই ওপৰৰ বাক্যটো প্ৰকাশ কৰাৰ লগে লগে শ্ৰোতাই তাৰ অৰ্থ বুজিবলৈ গৈ বিমোৰত পৰে। বাক্যটোৱে দুই ধৰণৰ অৰ্থ বহন কৰিব পাৰে।

(১) ল'ৰাটোৱে খাব পৰা হৈছে — ডাঙৰ হৈছে।

(২) ল'ৰাটোৱে খাব পৰা হৈছে — নিজে উপাৰ্জন কৰি খাব পৰা হৈছে।

**৯.০৫ বাক্যৰ শ্ৰেণীবিভাগ ঃ**

৯.০৫.০১ বাক্য হৈছে কিছুমান অৰ্থযুক্ত পদৰ সমষ্টি। এটা পদ বা তাতোকৈ অধিক পদ লগ লাগি এটা চুটি বাক্য গঠন কৰা হয় আৰু অধিক পদ বা বাক্যাংশ লগ লাগি একোটা দীঘল বাক্য গঠন কৰা হয়। বাক্যত ব্যৱহৃত বাক্যাংশ কেতিয়াবা স্বাধীন হয় আৰু কেতিয়াবা অন্য এটা বাক্যাংশৰ নিৰ্ভৰশীল হোৱা দেখা যায়। এনেদৰে বাক্যাংশৰ ওপৰত ভিত্তি কৰি বাক্যক তিনিটা ভাগত ভাগ কৰিব পাৰি। যেনে—

(ক) সৰল বাক্য (Simple Sentence)

(খ) জটিল বাক্য (Complex Sentence)

(গ) যৌগিক বাক্য (Compound Sentence)

**(ক) সৰল বাক্য ঃ** সৰল বাক্য স্বাধীন বাক্যাংশেৰে গঠিত। একোটা সৰল অসমীয়া বাক্যৰ স্বাভাৱিক গঢ় হৈছে — কৰ্তা-কৰ্ম-ক্ৰিয়া (s-o-v)। অৱশ্যে কেতিয়াবা কৰ্তাহীন, কৰ্মহীন আৰু ক্ৰিয়াহীন সৰল বাক্যও পোৱা যায়। ইয়াত সাধাৰণতে দুটা শ্ৰেণীৰ শব্দগুচ্ছ থাকে — বিশেষ্য শব্দগুচ্ছ আৰু ক্ৰিয়া শব্দগুচ্ছ।

সাধাৰণতে কৰ্তা আৰু ক্ৰিয়া পদযুক্ত চুটি চুটি বাক্যসমূহক একোটা পূৰ্ণবাক্য বুলি ধৰা হয়। যেনে—

(১) মই ভাত খাওঁ।

(২) বুঢ়া মানুহজন আহিছে।

(৩) তুমি কেতিয়া গুৱাহাটীলৈ যাবা?

(৪) দুৰ্গেশ্বৰে বেহা-বেপাৰ কৰিছিল।

অসমীয়াত ক্ৰিয়াপদ উহ্য থকা সৰল বাক্যও পোৱা যায়। এটা বিশেষ্য শব্দগুচ্ছৰ লগত আন এটা বিশেষ্য শব্দগুচ্ছ মিলি একোটা সৰল বাক্য হ'ব পাৰে। বঙলা আৰু উড়িয়া ভাষাতো ক্ৰিয়াপদ উহ্য থকা বাক্যৰ নমুনা পোৱা যায়। কিন্তু ইংৰাজী ভাষাত হ'ব নোৱাৰে। তলত ক্ৰিয়া উহ্য থকা অসমীয়া বাক্যৰ উদাহৰণ দিয়া হ'ল —

(৫) মাধৱৰ দেউতাক কটন কলেজৰ অধ্যাপক।

(৬) চৰকাৰী আলিৰ কাষতে গোপাল বাবুৰ ঘৰ।

(৭) ব্ৰহ্মপুত্ৰ অসমৰ এখন ডাঙৰ নদী।

**(খ) জটিল বাক্য ঃ** জটিল বাক্যত সাধাৰণতে অৰ্থৰ দৃষ্টিকোণৰপৰা এটা প্ৰধান বাক্য থাকে আৰু এই প্ৰধান বাক্যটো এটা অপ্ৰধান বাক্যৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। তলত জটিল বাক্যৰ নমুনা দাঙি ধৰা হৈছে —

(৮) বিয়ালৈ মতা হ'লে আমি গ'লোহেঁতেন।

(৯) ৰাতিপুৱা বেলি ওলালে সূৰ্যমুখী ফুল ফুলে।

(১০) বৰষুণ হোৱা বাবে খেতি ভাল হৈছে।

(১১) বেলি ডুবিলে চৰাই-চিৰিকটি বাহলৈ ঘূৰি আহে।

ওপৰৰ বাক্য চাৰিটাত বিয়ালৈ মতা হ'লে, ৰাতিপুৱা বেলি ওলালে, বৰষুণ হোৱা হ'লে, বেলি ডুবিলে আদি বাক্যাংশকেইটা অপ্ৰধান বাক্য আৰু এই অপ্ৰধান বাক্যকেইটা ক্ৰমে আমি গ'লোহেঁতেন, সূৰ্যমুখী ফুল ফুলে, খেতি ভাল হৈছে, চৰাই-চিৰিকটি বাহলৈ ঘূৰি আহে আদি প্ৰধান বাক্যৰ লগত সম্পৰ্ক নিৰ্ভৰ। প্ৰধান বাক্যকেইটাৰ অৰ্থ স্পষ্টতাৰ বাবে আন এটা অপ্ৰধান বাক্যৰ ওপৰত নিৰ্ভৰ কৰিছে।

**(গ) যৌগিক বাক্য ঃ** একাধিক সৰল বাক্য বা জটিল বাক্যক কিন্তু, যদি, তেন্তে, তথাপি, আৰু, অথবা, নাইবা আদি সংযোজক অব্যয়ৰ সহায়ত জোৰা লগাই যৌগিক বাক্য গঠন কৰা হয়। এই যৌগিক বাক্যসমূহৰ পৰা অব্যয়সমূহ আঁতৰাই দিলে দুটা বা ততোধিক সৰল বা জটিল বাক্যত পৰিণত হ'ব। অৱশ্যে ক্ষতিপূৰক হিচাপে কোনো এঠাইত একোটা শব্দগুচ্ছ যোগ দিব লগা হ'ব পাৰে, কিন্তু অৰ্থৰ ফালৰ পৰা বিশেষ কোনো পৰিৱৰ্তন নহয়। তলত যৌগিক বাক্যৰ নমুনা দাঙি ধৰা হ'ল —

(১২) পিতৃদেৱতাৰ প্ৰতি আমাৰ অশেষ ভয় আৰু ভক্তি আছিল।

(১৩) ছোৱালীজনী দেখিলত মোৰ কথাটো মনত পৰিল আৰু লগে লগে ৰামৰ ওচৰলৈ গৈ কথাটো কৈ আহিলোঁ।

ওপৰৰ প্ৰতিটো বাক্য ভাঙিলে কেইবাটাও সৰু সৰু সৰল বাক্য উলিয়াব পৰা হ'ব। এই বাক্যকেইটাৰ পৰা সংযোজক অব্যয়বোৰ আঁতৰাই দিলেও অৰ্থৰ তাৰতম্য নঘটে, অৱশ্যে দুই এঠাইত ক্ষতিপূৰক হিচাপে একোটা শব্দগুচ্ছ সংযোগ কৰিব লগা হ'ব পাৰে। ওপৰৰ বাক্য (১৩) এটা তলত ভাঙি দেখুওৱা হৈছে —

(ক) ছোৱালীজনী দেখিলোঁ।

(খ) মোৰ কথাটো মনত পৰিল।

(গ) লগে লগে ৰামৰ ওচৰলৈ গ'লোঁ।

(ঘ) কথাটো কৈ আহিলোঁ।

৯.০৫.০২ অৰ্থ বা ভাব অনুযায়ী বাক্যক পাঁচোটা ভাগত ভগাব পাৰি। যেনে —

(ক) বৰ্ণনাত্মক বাক্য - সাধাৰণ তথ্য প্ৰকাশক।

(খ) আদেশ, অনুৰোধসূচক বাক্য - আদেশ, অনুৰোধ ভাব প্ৰকাশক।

(গ) প্ৰশ্নসূচক বাক্য - প্ৰশ্ন সূচক ভাব প্ৰকাশক।

(ঘ) বিস্ময় বা আশ্চৰ্যসূচক বাক্য - আচৰিত বা আশ্চৰ্য ভাব প্ৰকাশক।

(ঙ) ইচ্ছা বা ভাবসূচক বাক্য - ইচ্ছা বা মনৰ ভাব প্ৰকাশক।

উক্ত পাঁচ প্ৰকাৰৰ বাক্যৰ প্ৰত্যেকৰে সদৰ্থক আৰু নএ্ৰৰ্থক দুটা ৰূপ পোৱা যায়। ইতিবাচক বা অস্তি অৰ্থসূচক বাক্যক সদৰ্থক বাক্য বোলা হয়। আনহাতে নহয়বোধক বা নাস্তি অৰ্থসূচক বাক্যক নএ্ৰৰ্থক বাক্য বোলে। সাধাৰণতে অসমীয়া ভাষাৰ নএ্ৰৰ্থক বাক্য গঠনৰ বেলিকা 'ন-' নেতিবাচক ৰূপ সংযোগ কৰি বা 'নাই' অনিয়মিত ৰূপ যোগ কৰা হয়। তলত ওপৰৰ পাঁচ প্ৰকাৰৰ বাক্যৰ উদাহৰণ অসমীয়া ভাষাৰপৰা দাঙি ধৰা হৈছে —

**(ক) বৰ্ণনাত্মক বাক্য ঃ**

সদৰ্থক ঃ পুৰণি পুথিসমূহ আমাৰ পুৰণি ৰত্ন।

নএ্ৰৰ্থক ঃ পুৰণি পুথিসমূহ আমাৰ পুৰণি ৰত্ন নহয়।

**(খ) আদেশসূচক বাক্য ঃ**

সদৰ্থক ঃ তুমি মোৰ দোষ মৰিষণ কৰিব লাগিব।

নএ্ৰৰ্থক ঃ তুমি মোৰ দোষ মৰিষণ কৰিব নালাগে।

**(গ) প্ৰশ্নসূচক ঃ**

সদৰ্থক ঃ শিক্ষকজন আহিল জানো/নেকি?

নএ্ৰৰ্থক ঃ শিক্ষকজন নাহিল নেকি?

**(ঘ) বিস্ময়সূচক বাক্য ঃ**

সদৰ্থক ঃ মই ভাবিলোঁ, কথাটো ভাঙৰেই হ'ল।

নঞৰ্থক ঃ কথাটো ইমান ডাঙৰ হ'ব বুলি মই ভাবিব পৰা নাছিলোঁ।

(ঙ) **ইচ্ছাসূচক বাক্য ঃ**

সদৰ্থক ঃ ঈশ্বৰে তেওঁক দীৰ্ঘজীৱী কৰি কুশলে ৰাখক।

নঞৰ্থক ঃ ঈশ্বৰৰ ইচ্ছা নহ'লে আমি একো কৰিব নোৱাৰোঁ।

৯.০৫.০৩ বাচ্য অনুসৰি বাক্যৰ প্ৰকাৰ ভেদ কৰিব পাৰি। বাক্যৰ মূল অংগ কৰ্তা, কৰ্ম, ক্ৰিয়া এইকেইটাক প্ৰাধান্য দি বাক্য ৰচনা কৰা হয়। কিছুমান বাক্যত কেতিয়াবা কৰ্তাক, কেতিয়াবা কৰ্মক আৰু কেতিয়াবা ক্ৰিয়াক প্ৰাধান্য দিয়া হয়। এনে গুৰুত্ব অনুসৰি বাক্যৰ গঠনৰ তাৰতম্য ঘটে আৰু পদৰ প্ৰয়োগৰ সাল-সলনি হয়। বাচ্য অৰ্থাৎ কথা কোৱাৰ ভংগী বা বাক্য প্ৰকাশৰ ধৰণ অনুসৰি চাৰিপ্ৰকাৰৰ বাক্য পোৱা যায়। যেনে —

(ক) কৰ্তৃবাচ্যৰ বাক্য।

(খ) কৰ্মবাচ্যৰ বাক্য।

(গ) কৰ্তৃ-ভাববাচ্যৰ বাক্য।

(ঘ) কৰ্ম-ভাববাচ্যৰ বাক্য।

**(ক) কৰ্তৃবাচ্যৰ বাক্য ঃ** কৰ্তৃবাচ্যৰ বাক্যত কৰ্তাক প্ৰাধান্য দিয়া হয়, এনে ধৰণৰ বাক্যত কৰ্তাপদৰ লগত ক্ৰিয়াপদৰ সংগতি থাকে। যেনে —

অতুল বাবুৱে সুৰভিক বৰ মৰম কৰিছিল।

জয়ন্তই কাছাৰীত কাম কৰিছিল।

আমি কালি ফুৰিবলৈ গৈছিলোঁ।

**(খ) কৰ্মবাচ্যৰ বাক্য ঃ** কৰ্মবাচ্যৰ বাক্যত কৰ্মক প্ৰাধান্য দিয়া হয়। অসমীয়া ভাষাত কৰ্মবাচ্যৰ বাক্য গঠনত সমাপিকা ক্ৰিয়াটোত 'ই' বিভক্তি যোগ হয়। যেনে — দেখি, শুনি, পাৰি, বুজি ইত্যাদি। যেনে —

নিয়মটো জানিলে অংকটো সহজে কৰিব পাৰি।

ব্ৰহ্মপুত্ৰ নদীখন ইয়াৰ পৰা ভালদৰে দেখি।

ল'ৰা-ছোৱালীবোৰৰ কোলাহলত কাৰো মাত ক'তো নুশুনি।

**(গ) কৰ্তৃ-ভাববাচ্যৰ বাক্য ঃ** কৰ্তৃ-ভাববাচ্যৰ বাক্যত মনৰ ভাবটো কৰ্তাৰূপে প্ৰকাশ পায়। অসমীয়া ভাষাৰ জতুৱা যৌগিক ধাতুৰ সহযোগত এনে কৰ্তৃ-ভাববাচ্যৰ বাক্য গঠন কৰিব পাৰি। যেনে—

মানুহৰ মনত আনন্দ লাগিছে

সীতাৰ কপাল ফুলিছে।

দেউতাক চুকুৰাত ল'ৰাটিৰ বেজাৰ লাগিছে।

ওপৰৰ বাক্যকেইটাত আনন্দ লাগিছে, কপাল ফুলিছে, বেজাৰ লাগিছে এই

খণ্ডবাক্যকেইটাৰ আনন্দ, কপাল, বেজাৰ আদি শব্দ যৌগিক ক্রিয়াপদৰ একোটা অংশহে, ইহঁত কৰ্তা যেন ভাব হয় যদিও আচলতে কৰ্তা নহয়। সেইকাৰণে এই বাক্যকেইটাক কৰ্তৃ-ভাববাচ্যৰ বাক্য বুলি কোৱা হৈছে।[৬]

**(ঘ) কৰ্ম-ভাববাচ্যৰ বাক্য ঃ** বাক্যত ব্যৱহৃত কিছুমান পদ ওপৰা-উপৰিকৈ চালে কৰ্ম যেন লাগে, প্রকৃততে কৰ্মপদ নহয়, কৰ্মপদৰ ভাবহে প্রকাশ কৰে; তেনে বাক্যবোৰক কৰ্ম-ভাববাচ্যৰ বাক্য বুলি ধৰা হয়। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত ৰ'দ দিছে, বৰষুণ দিছে, গাজনি মাৰিছে আদি যৌগিক ধাতুৰ ক্রিয়াৰূপ। এই ধাতুবোৰৰ সংযোগত যিবোৰ বাক্য গঠন কৰা হয় সেই বাক্যবোৰত কৰ্মপদ নাথাকে। কিন্তু যৌগিক ধাতুৱে কৰ্মপদৰ দৰে কাম কৰে আৰু ধাতুৰ অৰ্থই প্রধান হয়। এনে বাক্যবোৰক কৰ্ম-ভাববাচ্যৰ বাক্য বুলি কোৱা হয়[৭]। যেনে —

আজি বৰ বৰষুণ দিছে।

দিনত বৰ ৰ'দ দিছিল।

এটা ডাঙৰ গাজনি মাৰিছে।

পৃথিৱীৰ সকলো ভাষাৰে বাক্যগত উপাদান যেনে— ধ্বনি, ৰূপ অৰ্থাৎ বাক্যত ব্যৱহৃত পদসমূহ, খণ্ডবাক্য, বাক্যাংশ আদি ভাষাৰ মৌলিক উপাদানবোৰ একে। প্রত্যেক ভাষাৰে বাক্য গঠনৰ অন্তৰ স্তৰত এটা অন্তৰ্লীন ঐক্য আছে। কিন্তু প্রতিটো ভাষাৰ ধ্বনিৰ উচ্চাৰণ, ৰূপৰ গঠন, বাক্যৰ গঠন সুকীয়া সুকীয়া। ভাষাৰ অধ্যয়নৰ স্তৰ — ধ্বনি স্তৰ, ৰূপৰ স্তৰ, বাক্যৰ স্তৰ, অৰ্থৰ স্তৰৰ ভিতৰত বাক্যৰ স্তৰ অতি বিশাল। বাক্যৰ গঠন আৰু বিশ্লেষণৰ বাবে গভীৰ অন্তৰ্দৃষ্টি আৰু অধ্যয়নৰ আৱশ্যক।